
# যীচুৰ আগমণৰ পূৰ্ব্বে মানুহে ঈশ্বৰৰ সেৱা কৰিছিল।

**প্ৰাৰ্থনা ঃ** “মৰমিয়াল প্ৰভু, এই পাঠটিৰ দ্বাৰাই ল’ৰা-ছোৱালীবিলাকক তেওঁলোকৰ হৃদয়ৰ আন্তৰিকতাৰে তোমাক আৰাধনা কৰিবলৈ সহায় কৰা।

এজন ডাঙৰ ল’ৰা বা বয়সীয়াল এজনক ২বংশাৱলি ৫ অধ্যায়ৰ পৰা অতীজৰ ইস্ৰায়েলসকলে তেওঁলোকৰ নতুন মন্দিৰত কেনেকৈ উপাসনা কৰিছিল সেই বিষয়ে পঢ়িবলৈ বা ক’বলৈ দিয়ক।


**তাৰ পিছত এই প্ৰশ্নবোৰ সোধক ঃ**

- চলোমনে যিৰূচালেমত পবিত্ৰ ভোজলৈ কাক পবিত্ৰ নিমন্ত্ৰণ কৰিছিল? *(উত্তৰ ঃ ৩পদ)*
- তেওঁলোকে কি বলিদান উৎসৰ্গ কৰিছিল? *(৬ পদ)*
- কৰূবৰ ডেউকাৰ তলত অতি পবিত্ৰ স্থানত কি আছিল? *(৭ পদ)*
- নিয়ম চন্দুকৰ ভিতৰত কি আছিল? *(১০ পদ)*



- পুৰোহিত আৰু লেবীয়া সকলে কেনেকৈ প্ৰভুৰ প্ৰশংসা কৰিছিল? *(১২ আৰু ১৩ পদ)*
- পুৰোহিত বিলাকে প্ৰভুৰ প্ৰশংসা কৰোঁতে কিহে মন্দিৰ পৰিপূৰ্ণ কৰিলে? *(১৩ পদ)*

এইটো বুজাই দিয়ক যে যীচুখ্ৰীষ্ট আহিল আৰু আমাৰ লগত বাস কৰিবলৈ তেওঁৰ পবিত্ৰ আত্মা পঠিয়াই দিয়াত ঈশ্বৰৰ উপস্থিতি কেৱল এটা গৃহত নাথাকে আটাইৰে হৃদয়ত থাকে। পশু বলিদানে যীচুকেই বুজাইছে। আজি আমি পশু বলিদান নকৰোঁ; কাৰণ যীচুৱেই হৈছে ঈশ্বৰৰ মেৰ পোৱালী যিজনে আমাৰ আটাই পাপবোৰ লৈ গ’ল।



**কাম**

অতীজৰ ইস্ৰায়েল বিলাকে ঈশ্বৰক উপাসনা কৰাৰ বিভিন্ন ধৰণবোৰৰ বিষয়ে ল’ৰা-ছোৱালীবিলাকক ক’বলৈ কওক। পিচত সেইবোৰৰ লগত আমি এতিয়া ঈশ্বৰৰ উপাসনা কৰা ধৰণবোৰৰ লগত তুলনা কৰক।

- ইস্ৰায়েল বিলাকৰ ডুখৰীয়া কাঠ আৰু শিলেৰে নিৰ্ম্মিত মন্দিৰ ঘৰ আছিল, কিন্তু এতিয়া আমি যিকোনো ঠাইতে ঈশ্বৰৰ উপাসনা কৰোঁ।
- ইস্ৰায়েলবিলাকৰ নিয়ম চন্দুকে ঈশ্বৰৰ উপস্থিতি বুজাইছিল, কিন্তু এতিয়া ঈশ্বৰে আমাৰ লগত বাস কৰে।

- ইস্ৰায়েলবিলাকে পশু বলিদান কৰিছিল, কিন্তু এতিয়া খ্ৰীষ্টৰ শৰীৰ আমাৰ প্ৰভুৰ ভোজত আছে।



- ইস্ৰায়েলবিলাকে বাদ্য আৰু দানেৰে ঈশ্বৰৰ প্ৰশংসা কৰিছিলো, যি আমিও কঁৰো।
- ইস্ৰায়েলবিলাকে মূৰ্ত্তি আৰু দুষ্ট আত্মাক এৰাই চলিছিল যিহক আমি এৰাই চলোঁ।

**নাটক**

২ বংশাৱলি ৫ অধ্যায়ৰ পৰা মন্দিৰ প্ৰতিষ্ঠা কৰা কাৰ্য্য নাটক কৰি দেখুউৱাক।

- ল'ৰা-ছোৱালীবিলাকে তেওঁলোকৰ নাটকখন বা তাৰে এটি অংশ কৰি দেখুৱাবৰ বাবে উপাসনা চলাওঁতাজনৰ লগত ঠিক কৰি লওক।
- সৰুবিলাকক তেওঁলোকৰ ভাগবোৰ যুগুত কৰিবলৈ ডাঙৰ ল'ৰা-ছোৱালীবিলাকক সহায় কৰিবলৈ দিয়ক।
- চাৰিজন পুৰোহিত আৰু লেবীয়াৰ ভাওবোৰ সৰু ল'ৰা-ছোৱালীক ল'বলৈ দিয়ক।
- ডাঙৰ ল'ৰা-ছোৱালী বা বয়সীয়ালসকলক চলোমন, ছোৱালী, পিতৃ-মাতৃ, ঈশ্বৰৰ মাত আৰু বৰ্ণনাকাৰীৰ ভাও দিয়ক।

**বৰ্ণনাকাৰী ঃ** ২বংশাৱলিৰ পৰা গল্পটো চুটিকৈ কয়। তাৰ পিচত কয়, "এজনী ছোৱালীয়ে বাপেকক কি সুধিছে, শুনা।"

**ছোৱালী ঃ** বাপেকৰ হাতত ধৰি গৈ আছে। কৈছে, "আমি দুদিন খোজ কাঢ়িলো। আমি ক'লৈ গৈছো?"

**বাপেক ঃ** "চলোমন ৰজাই তেওঁ নিৰ্ম্মাণ কৰা মন্দিৰটি প্ৰতিষ্ঠা কৰিবলৈ সকলো ইস্ৰায়েল লোকক নিমন্ত্ৰণ কৰিছে।"

**ছোৱালী ঃ** চোৱাচোন! সেই পুৰোহিত কেইজনে সোণেৰে ঢকা ডাঙৰ পাত্ৰ এটা কঢ়িয়াই নিছে।"

**পুৰোহিতসকল ঃ** তেওঁলোকৰ কান্ধত থকা দীঘল লাঠি দুডালৰ দুই মূৰত ধৰি নিয়ম চন্দুকটো কঢ়িয়াই নিয়াৰ ভাও ধৰিছে। দুজন আগত আৰু দুজনে তেওঁলোকৰ পৰা কেইফুটমান পিচত গৈ আছে। পিছত চন্দুকটো নমাই যোৱাৰ ভাও ধৰিছে।

**বাপেক ঃ** "এইয়ে নিয়ম চন্দুক। ইয়াত দহ আজ্ঞা আছে। তেওঁলোকে নতুন মন্দিৰৰ অতি পবিত্ৰ স্থানত ইয়াক থয়। এইয়ে আমাক সৰ্ব্বশক্তিমান ঈশ্বৰৰ উপস্থিতিৰ কথা সোঁৱৰাই দিয়ে। (মূৰ দোৱায়)



**ছোৱালী ঃ** "ইয়াক কেতিয়া খুলিব?"

**বাপেক ঃ** কেতিয়াও নুখুলে! এবাৰ এজন মানুহে চুইছিল, আৰু ঈশ্বৰে তেওঁক মাৰি পেলালে!"

**লেবীয়াবিলাক ঃ** তুৰী বজাই আৰু খঞ্জৰী বজোৱাৰ নিচিনাকৈ বজাই আগবাঢ়ি গৈ থাকে।

**ছোৱালী ঃ** "চোৱা! বাদ্যকৰবিলাকৰ খঞ্জৰী, তুৰী আৰু বীণা আছে।"

**লেবীয়াবিলাক ঃ** একেলগে ডাঙৰ মাতেৰে গীত গায়, "প্ৰভূৰ গৌৰৱ হওক, তেওঁৰ দয়া আৰু অনুগ্ৰহ চিৰকাল থাকে।"

**ছোৱালী ঃ** "চোৱা! প্ৰভুৰ গৃহটি ডাৱৰে ঢাকি ৰাখিছে। পুৰোহিতবিলাকে এৰি যাব লাগিব।"

**লেবীয়াবিলাক ঃ** ওপৰলৈ আৰু চাৰিওফালে চায়। অন্ধ হৈ যোৱাৰ দৰে হাত ওপৰলৈ তোলে আৰু আঁতৰি যায়।

**বাপেক ঃ** "প্ৰভূৰ মহিমাই ঈশ্বৰৰ গৃহ ঢাকি ধৰিলে। চোৱা! চলোমন ৰজাই প্ৰাৰ্থনা কৰিছে!"

**চলোমন ঃ** হাত দুখন ওপৰলৈ তুলি ধৰি আৰু আৰু ডাঙৰকৈ কয়, "হে ইস্ৰায়েলৰ ঈশ্বৰ, প্ৰভূ। তুমি চিৰকাললৈ বাস কৰিবৰ বাবে মই এটি অতি ওখ ঘৰ তোমাৰ কাৰণে নিৰ্মাণ কৰিলোঁ। কিন্তু তুমি দৰাচলতে মানুহ জাতিৰ লগত পৃথিৱীত বাস কৰিবা নেকি?

সুউচ্চ স্বৰ্গয়ো তোমাক ধাৰণ কৰিব নোৱাৰে, মই নিৰ্ম্মাণ কৰা গৃহই জানো পাৰিব।"

**বৰ্ণনাকাৰী ঃ** ঈশ্বৰৰ মাতে স্বৰ্গৰ পৰা উত্তৰ দিয়ে।

**ঈশ্বৰৰ মাত ঃ** "মই যিৰূচালেমক বাছি লৈছো যাতে মোৰ নাম তাত থাকে। এতিয়া, মোৰ লোকবিলাকক যিবিলাকক মোৰ নামেৰে মতা হৈছে, তেওঁবিলাকে নিজকে নম্ৰ কৰি, প্ৰাৰ্থনা কৰে আৰু মোৰ মূখলৈ দৃষ্টি কৰে আৰু সকলো অসৎ পথৰ পৰা ঘুৰে, মই স্বৰ্গৰ পৰা তাক শুনিম, তেওঁবিলাকৰ পাপ ক্ষমা কৰিম, আৰু তেওঁলোকৰ ভূমি সুস্থ কৰিম।"

নাটকখন যদি ল'ৰা-ছোৱালীবিলাকে ডাঙৰবিলাকৰ আগত কৰি দেখুৱাইছে, তেনেহ'লে এই পাঠ্যক্ৰমৰ প্ৰথম পৃষ্ঠাত থকা প্ৰশ্নবোৰ তেওঁলোক ডাঙৰবিলাকক সুধিব পাৰে।

**ছবি ঃ** আমি ঈশ্বৰৰ উপস্থিতি কেনেকৈ পালন কৰিব পাৰো সেইকথা বুজাবলৈ ল'ৰা-ছোৱালীবিলাকক বীণা নহ'লে তেনে কোনো বাদ্যযন্ত্ৰৰ ছবি আঁকিবলৈ দিয়ক। উপাসনাৰ সময়ত ল'ৰা-ছোৱালীবোৰক সেই ছবিবোৰ ডাঙৰক দেখুৱাবলৈ আৰু বুজাই দিবলৈ দিয়ক।



**কবিতা ঃ** তিনিগৰাকী ল'ৰা-ছোৱালীৰ প্ৰত্যেককে যিচয়া ৬ঃ১-৪ লৈকে এটা পদ আওৰাবলৈ দিয়ক।

উজ্জীয়া ৰজাৰ মৃত্যু বছৰত,
মই প্ৰভুক এখন উচ্চ আৰু উন্নত সিংহাসনত বহি কথা দেখিলোঁ;
তেওঁৰ ৰাজবস্ত্ৰৰ আঁচলে গোটেই মন্দিৰ জুৰি লৈছিল।
তেওঁৰ ওচৰৰ উচ্চস্থানত চিৰাফবিলাক থিয় হৈ আছিল;

তেওঁবিলাকৰ প্ৰতিজনৰ ছখন ছখন ডেউকা আছিল,
তেওঁবিলাকে বৰ ৰে মাতি ক'লে,
পৱিত্ৰ, পৱিত্ৰ, পৱিত্ৰ বাহিনীবিলাকৰ যিহোৱা।

গোটেই পৃথিৱী তেওঁৰ মহিমাৰে পৰিপূৰ্ণ
তেওঁবিলাকৰ মাতত দুৱাৰডলিৰ তলত ঠাইবোৰ
কঁপিবলৈ ধৰিলে আৰু গৃহটিও ধোঁৱাৰে পৰিপূৰ্ণ হ'ল।

সৰু ল'ৰা-ছোৱালীবোৰক গীতমালা ৮৭ঃ৩ পদ, ডাঙৰবোৰক ইব্ৰী ১ঃ১,২ পদ মুখস্থ কৰিবলৈ দিয়ক।

**প্ৰাৰ্থনা ঃ** “প্ৰভু, চলোমন ৰজাৰ আৰু ইস্ৰায়েলৰ লোকবিলাকলৈ তোমাৰ উপস্থিতি প্ৰকাশ কৰাৰ বাবে তোমাক ধন্যবাদ জনাওঁ। এতিয়া, যীচুৰ বাবেই তুমি আমাৰ প্ৰত্যেকজনৰ লগত বাস কৰিছা। আমি তোমাৰ গৌৰৱ কঁৰো আৰু আনন্দ কৰোঁ।”

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net